**অসম বিধান সভাৰ অধিবেশন-২০২৬**
**লিখিত- প্ৰশ্ন নং: ৫২০**
**উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬ ইং**

বিষয়: VGR/PGR/Cattle Reserve **ৰ সংৰক্ষিত ভূমি সম্পৰ্কে।**

শ্ৰীদীপক কুমাৰ দাস :

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা বিধানসভা সমষ্টিৰ অন্তৰ্গত VGR (Village Grazing Reserve), PGR (Professional Grazing Reserve) আৰু Cattle Reserve ৰ সংৰক্ষিত ভূমিসমূহত হোৱা অবৈধ দখলৰ বিষয়ে চৰকাৰ বা বিভাগীয় কৰ্তৃপক্ষ জ্ঞাত নে? যদিহে জ্ঞাত, উক্ত সংৰক্ষিত ভূমিসমূহৰ কিমান পৰিমাণ ভূমি বৰ্তমান বেদখলত আছে?

(খ) উক্ত ভূমিসমূহৰ কোনো অংশ চৰকাৰে আবন্টন প্ৰদান কৰিছে নেকি? যদিহে কৰিছে, তেন্তে কিমানজন ব্যক্তিক, কিমান পৰিমাণৰ ভূমি কি উদ্দেশ্যে আৰু কি ভিত্তিত আবন্টন প্ৰদান কৰা হৈছে? জনাব।

(গ) যিসমূহ সংৰক্ষিত ভূমি দখলত আছে, সেই ভূমিসমূহ বেদখলমুক্ত কৰাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? জনাব।

## <u>উত্তৰ</u>

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত দেৱে উত্তৰ দিছে-

(ক) বৰপেটা জিলাৰ জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি, বৰপেটা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভি.জি.আৰ. (৪৬০৫ বিঘা ০ কঠা ১২ লেচা) আৰু পি.জি.আৰ. (৫২৭৮বিঘা ০১ কঠা ০২ লেচা) বৰ্তমান বেদখলত আছে। বৰপেটা বিধানসভা সমষ্টিত কোনো Cattle Reserve নাই।

(খ) বৰপেটা জিলাৰ জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি, বৰপেটা বিধানসভা সমষ্টিৰ অন্তৰ্গত **চেংগা ৰাজহ চক্ৰৰ** ১৯৬১-৬২ চনত বহৰি গাওঁৰ ৭৮ নং ভিজিআৰ দাগত ৯০৫ জন ব্যক্তিৰ মাজত মুঠ ১১৩ বিঘা ১ কঠা ১৫ লেছা, নিজ চেংগা গাওঁৰ ৯৯ নং ভিজিআৰ দাগত ৪৫ জন ব্যক্তিক প্ৰত্যেককে ১ বিঘাকৈ মুঠ ৪৫ বিঘা নিম্নতম চাহিদা আচনিৰ অধীনত (৩১/৩/১৯৭৯/২৪/৩/১৯৮০

ইং চনত), দামোদৰ দেৱ সত্ৰক - ৬ বিঘা (৩০/৬/২০০১ ইং চনত), শংকৰদেৱ ভৰিধুৰা ঘাট সত্ৰক – ১০ বিঘা ৩ কঠা (২১/৬/১৯৮৮ ইং চনত), বৰ চেঙা গাওঁৰ ৯০ নং ভিজিআৰ দাগত শংকৰদেৱ ভৰিধুৰা সত্ৰক – ১২ বিঘা (২১/৬/১৯৮৮ ইং চনত), মানেৰী গাওঁৰ ২২৫ নং ভিজিআৰ দাগত মৰিশালী শুভা মানেৰীক - ৩ বিঘা (২৩/০২/২০০৫ ইং চনত), মানেৰী শ্মশাণ কমিটিক – ৬ বিঘা (২/০৪/২০০২ ইং চনত), বৰভিঠা পদ্মপাৰা কবৰ স্থানক – ৫ বিঘা (২৩/৬/২০০৩ ইং চনত) আৰু মানেৰী গাওঁৰ ২৬২ নং ভিজিআৰ দাগত ইণ্ডাষ্ট্ৰিয়েল ক্লাষ্টাৰ প্ৰোজেক্টক – ৪০ বিঘা (১৭/০৯/২০২০ ইং চনত), এডিশ্বনেল ডিষ্ট্ৰিক্ট হছপিটেলক – ২০ বিঘা (৯/০২/২০২২ ইং চনত), টেৰিটৰিয়েল পি.ডব্লিউ.ডি ছাব ডিভিজনক – ২ বিঘা ৩ কঠা (১৭/০৯/২০২০ ইং চনত), বাটগাওঁৰ ৭৬ নং ভিজিআৰ দাগত বাটগাওঁ আঞ্চলিক হাইস্কুলক – ১১ বিঘা (১৭/৬/১৯৯৭ ইং চনত), মটাবৰী গাওঁ উন্নয়ন সমিতিক -১০ বিঘা(২০/০৭/২০০৫ ইং চনত) মাটি আৱণ্টন দিয়া নথীভুক্ত হৈ আছে। বাকী থকা মাটিত কোনো ধৰণৰ আৱণ্টনৰ নথী দেখা পোৱা নগল। ।

বৰপেটা সমষ্টিৰ অন্তৰ্গত **সৰ্থেবাৰী ৰাজহ চক্ৰত** চৰজমিন ও ভুমি নথি তদন্ত ক্ৰমে দেখা যায় যে, শালমাৰা ৭ নং PGR দাগত দুজন লোক ক্ৰমে ১) মেদো আলী পিতাঃ ইছলাম ২) বালক পিতাঃ মনি হৰিজন উক্ত ভূমিৰ অংশ ১ বিঘাকৈ মাটি মুঠ- ২ বিঘা মাটি MNP আচনিৰ অধিনত ভুমিহীন লোক হোৱা হেতুকে ঘৰ বস্তীৰ বাবে আৱন্টন দিয়া হৈছিল আৰু বৰপেটা জিলাৰ ভূমি উপদেষ্টা সমিতিয়ে যোৱা ১৪-০৫-১৯৯১ ইং তাৰিখৰ BRSG.53/91/18 নং হুকুম মতে ৭ নং দাগৰ ২ বিঘা মাটি কলদি পথাৰ প্ৰাথমিক বিদ্যালয়ৰ নামত আৱন্টনৰ অনুমোদন দিয়ে।

(গ) যিসমূহ সংৰক্ষিত ভূমি দখলত আছে, সেই ভূমিসমূহ বেদখলমুক্ত কৰাৰ বাবে চৰকাৰৰ পৰা অসম ভূমি আৰু ৰাজহ বিনিয়ম (ALRR), ১৮৮৬ ৰ ১৮ নং বিধি (Rule 18) অনুসৰি জিলা আয়ুক্ত আৰু ৰাজহ চক্ৰ বিষয়াসকলক সংৰক্ষিত ভূমিৰ পৰা অবৈধ দখলকাৰীক তাৎক্ষণিকভাৱে উচ্ছেদ কৰাৰ সম্পূৰ্ণ ক্ষমতা দিয়া আছে।

********************